**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 27-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::::**

ডিব্রুগড় জিলাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। দিশপুৰৰ লোকসেৱা ভৱনত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বৰ্তমান শিৱসাগৰ, চৰাইদেউ আৰু তিনিচুকীয়া জিলাতহে এই আইন প্ৰযোজ্য হৈ থাকিব। ডিব্রুগড় অসমৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ় দিবলৈ চৰকাৰে প্ৰচেষ্টা চলাই থকা বিষয়টো কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক অৱগত কৰাৰ পাছতে গৃহমন্ত্ৰী গৰাকীয়ে অসম ভ্ৰমণৰ সময়ত জিলাখনৰ পৰা এই আইন প্ৰত্যাহাৰ কৰাৰ আশ্বাস দিছিল। আইনখন প্ৰত্যাহাৰৰ পৰিপ্ৰেক্ষিতত জিলাখন বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয়, যে এই আইন বলবৎ থকা জিলা তিনিখনৰ বাদে অসমলৈ জাপান, নিউজিলেণ্ড আদিৰ বিদেশী পৰ্যটকৰ ব্যাপক আগমন ঘটিব। ইয়াৰ লগতে আজি মন্ত্ৰীসভাৰ বৈঠকত ভালেমান গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়।

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষক সন্থাৰ আজি বাৰ্ষিক নিৰ্বাচন অনুষ্ঠিত হয়। এই নিৰ্বাচনত অধ্যাপক দীপেন বেজবৰুৱা সভাপতি আৰু সহযোগী অধ্যাপক বাহাৰুল আলী সাধাৰণ সম্পাদক পদত নিৰ্বাচিত হয়। সহকাৰী অধ্যাপক ভাস্কৰ ডেকা আৰু সহযোগী অধ্যাপক বনজিৎ চাং কাকতি যুটীয়া সাধাৰণ সম্পাদক পদত নিৰ্বাচন কৰা হয়। সেইদৰে উপসভাপতি পদত অধ্যাপক অমিত চৌধুৰী আৰু অধ্যাপক বিকাশ গগৈ তথা কোষাধ্যক্ষ পদত সহকাৰী অধ্যাপক আবুল কালাম চৌধুৰী নিৰ্বাচিত হয়।

০০০০

ইনাৰ হুইল ক্লাব গুৱাহাটী ইষ্টৰ উদ্যোগত অহা ২৯ মাৰ্চত খাৰঘুলিৰ শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰ প্ৰাংগণত কৰ্কট ৰোগৰ সজাগতা আৰু স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ব। নৰ্থ-ইষ্ট কেন্সাৰ হস্পিতেল আৰু ৰিছাৰ্চ ইনষ্টিটিউটৰ সহযোগত হ'বলগীয়া এই স্বাস্থ্য শিবিৰত কৰ্কট ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত মানুহৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হ'ব। শ্ৰীশ্ৰী হৰগৌৰী মন্দিৰ পৰিচালনা সমিতিৰ বিশেষ উদ্যোগত হ'বলগীয়া এই স্বাস্থ্য শিবিৰ সেইদিনা দিনৰ ১১ বজাত মুকলি কৰা হ'ব বুলি পৰিচালনা সমিতিৰ বিষয়ববীয়াই জনাইছে।

০০০০

বিগত বৰ্ষৰ ডিচেম্বৰত তিনিচুকীয়া জিলাৰ এটা ক্ৰেচাৰ মিলৰ পৰা আলফা স্বাধীনে অপহৰণ কৰা প্ৰকাশ ছেত্ৰী নামৰ ব্যক্তিজনক সংগঠনটোৱে আজি মুকলি কৰি দিছে। অপহৃত ছেত্ৰী মিলটোত মহৰী হিচাপে কৰ্মৰত আছিল। মুকলি কৰি দিয়া প্ৰকাশ ছেত্ৰীক তিনিচুকীয়া আৰক্ষীৰ এটা দলে জিম্মাত লৈছে।

০০০০

কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত অহা ৩১ মাৰ্চত কামৰূপ জিলা দিৱস উদযাপন কৰা হ'ব। দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে সেইদিনা পুৱা আমিনগাঁৱৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আগিয়াথুৰী পাহাৰলৈ এটা ট্ৰেকিং কাৰ্যসূচী

অনুষ্ঠিত হ'ব। জিলাখনৰ আয়ুক্ত দেৱকুমাৰ মিশ্ৰই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। জিলা আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাই এই দিৱস উপলক্ষে আয়োজিত এখন উদ্যান শস্য আৰু আত্মসহায়ক গোটৰ মেলা উদ্বোধন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে স্বাস্থ্য মেলা আৰু মুকলি সভা অনুষ্ঠিত হ'ব। বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে জিলাখনৰ বিধায়কসকল এই অনুষ্ঠানত উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানে আজিৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী অভিৰ্বতন কেন্দ্ৰত আয়োজন কৰা ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱ আজি ভৈয়াম আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। ধৰ্তি আৱা ভগৱান বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

সাহিত্য মহোৎসৱত পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনিল বড়ো আৰু পেট্ৰিচিয়া মুখিমকে ধৰি ভালেসংখ্যক বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব। এই মহোৎসৱে নাগৰিকসকলক জনজাতীয় সমাজৰ চহকী ঐতিহ্য আৰু কলা সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিয়াত বিশেষ ভূমিকা পালন কৰিব বুলি ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

০০০০

যোৰহাট জিলাৰ যোৰহাট কেন্দ্ৰীয় কাৰাগাৰৰ সমীপত নিৰ্মাণৰত স্বাধীনতা স্মাৰক উদ্যানখন আজি যোৰহাট জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকে পৰিদৰ্শন কৰে। দুয়োগৰাকী বিষয়াই উদ্যানখনৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। উদ্যানখনৰ নিৰ্মাণ কাৰ্য সময়মতে সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত ল'বলগীয়া ব্যৱস্থাসমূহৰ সন্দৰ্ভত আয়ুক্তগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলৰ লগত আলোচনা কৰে।

০০০০

তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে আজি জিলাখনৰ আদৰ্শ অংগনবাড়ী কেন্দ্ৰসমূহৰ কাম-কাজ পৰ্যালোচনা কৰে। এই উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলা আয়ুক্ত, ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া আৰু সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়াসকল উপস্থিত থাকে।

০০০০

সমাগত বি টি চি নিৰ্বাচনত অসম গণ পৰিষদ দলে অকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই নিৰ্বাচন সন্দৰ্ভত কালি চিৰাং জিলাৰ বিজনীত অনুষ্ঠিত দলটোৰ এখন প্ৰতিনিধি সভাত দলৰ নেতৃবৰ্গই এই কথা প্ৰকাশ কৰে। দলটোৱে বি টি আৰত থকা অজনজাতীয় লোকৰ নিৰাপত্তা, সমউন্নয়ন আৰু সমবিকাশৰ পৰা বঞ্চিত বুলি অনুভৱ কৰা লোকসকলৰ স্বাৰ্থত এই নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি দলৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ধনেশ্বৰ দাসে প্ৰকাশ কৰে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে লক্ষ্ণৌ ছুপাৰ জায়েণ্ট্‌ছক জয়ৰ বাবে ১৯১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত অভাৰত ৯ টা উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ